শব্দ— 'অসমীয়া'— ভাৰত
কৌশলী 'বাক্যবাণে'ৰে অসম
ককে আন্দোলনৰ নেতাসকলে

নহয় অদূৰ ভৱিষ্যতে তেওঁলোকে ইয়াৰ বিষময় ফল ভোগ
কৰিব লাগিব যে খাটাং।

লেখক প্ৰাক্তন উপায়ুক্ত
ফোন ঃ ৯৪৩৫০-৬৩৪

াত্রিয়ে তেওঁৰ 'উচ্চাকাংক্ষা' গ্ৰন্থখনত —'ধনী-দৰিদ্ৰ নিৰ্বিশেষে সকলো লোকে কভাৱে আজৰি সময়খিনি ব্যৱহাৰ কৰিব টা সহজ উপায় হ'ল ভাল কিতাপ পঢ়া। দেশত কিতাপৰ প্ৰচলন বেছি সেইবোৰ আজি পৃথিৱীৰ ভিতৰত আটাইতকৈ উন্নত াপে পৰিগণিত হৈছে। উদাহৰণ স্বৰূপে াপানৰ কথা উল্লেখ কৰিব পাৰোঁ। মাত্ৰ ছৰৰ আগলৈকে জাপানে বাহিৰৰ পৃথিৱীৰ ানো সম্পৰ্ক নাৰাখিছিল। ফলত বাহিৰৰ , জ্ঞান-বিজ্ঞানৰ চৰ্চা আৰু শিল্প- বাণিজ্যৰ তিমধ্যে কিমান আগুৱাই গৈছিল জাপানে কা ভু নাপাইছিল। কিন্তু ১৮৫৪ চনত বাহিৰৰ জগতৰ সংস্পৰ্শলৈ আহিবৰ বা মাত্ৰ যোৱা ডেৰশ বছৰৰ ভিতৰতে এনে অবিশ্বাস্য দ্ৰুতগতিত উন্নতি ধৰিলে যে আজি সেই দেশে আমেৰিকা দৰে ধনী আৰু উন্নত দেশৰ লগতো ক্ৰ মাৰিব পৰা হৈছে একমাত্ৰ কিতাপৰ কাৰণ বাহিৰৰ জগতৰ সংস্পৰ্শলৈ ল জাপানে আবিষ্কাৰ কৰিলে যে ভ শুই থাকোঁতেই ইউৰোপ জ্ঞান-বিজ্ঞান ক্তিবিদ্যাৰ ক্ষেত্ৰত দুশ বছৰ আগুৱাই তিয়া জাপানে কঠোৰ সংকল্প মনত াপৰ বিভিন্ন ভাষাৰ জ্ঞান-বিজ্ঞানৰ াপানী ভাষালৈ অনুবাদ কৰি গভীৰ ৰে সেইবোৰ পঢ়ি দুশ বছৰৰ জ্ঞান বিশ ায়ত্ত কৰি লয়। ওপৰত উল্লেখিত তিবাচক প্ৰভাৱবোৰ আমাৰ ওপৰত াৰিব যেতিয়া আমি অশ্লীল পুথিৰ পৰা ম। কাৰণ অশ্লীল পুথি নাৰী আৰু নাশক হোৱাৰ বাদে আন একো পুথিয়ে নাৰীৰ মানৱীয় মৰ্যাদা নাশ বলি কৰে, বৈবাহিক জীৱন ধ্বংস অপৰাধত ইন্ধন যোগায়, সামাজিক ল্যবোধক হেয় প্ৰতিপন্ন কৰে, ব্যক্তি, সমাজ ধ্বংস কৰে। অতি দুখৰ কথা লোকে অশ্লীল পুথি ব্যৱসায় ভিত্তিত ৰ্জন কৰি নিজকে তললৈ নমাইছে।

সাম্প্ৰতিক সময়ত যদিও স্মাৰ্টফোন পৰিহাৰ্য অংগ হৈ পৰিছে, কিতাপৰ াত্যধিক ব্যৱহাৰে ইতিবাচকতকৈ নেতিবাচক প্ৰভাৱহে বেছি পৰিব নৱপ্ৰজন্ম ওপৰত। কাৰণ অশ্লীল কিতাপৰ বাহিৰে আন কিতাপৰ তেনেকুৱা নেতিবাচক প্ৰভাৱ নাই স্মাৰ্টফোনৰ যিমান আছে। সেইবুলি এইটো নহয় যে স্মাৰ্টফোনৰ ইতিবাচক প্ৰভাৱ নাই। স্মাৰ্টফোনৰো যথেষ্ট ইতিবাচক প্ৰভাৱ আছে। কিন্তু দিনটো কিতাপ এখন পঢ়ি শিশু বা নৱপ্ৰজন্মই যিমান লাভবান হ'ব, সেই অনুপাতে দিনটো স্মাৰ্টফোন ব্যৱহাৰ কৰি শিশু বা নৱপ্ৰজন্মই সেই লাভ বা উপকাৰটো নাপায়। স্মাৰ্টফোনৰ ইতিবাচক প্ৰভাৱবোৰ হ'ল — ব্যৱসায়ত আমূল পৰিৱৰ্তন আনিছে, শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক সহায় কৰিছে, মানুহৰ মাজত থকা দূৰত্ব কম কৰিছে, বিশ্বব্ৰহ্মাণ্ডক হাতৰ মুঠিত তুলি ধৰিছে, মানসিক নিৰাশা কম কৰিছে। আনহাতে ইয়াৰ নেতিবাচক প্ৰভাৱবোৰ হ'ল — সামাজিক জীৱনৰ সম্পৰ্ক, কলা-সংস্কৃতি আৰু সমাজ ব্যৱস্থাত বিৰূপ প্ৰভাৱ পেলাইছে, শৈক্ষিক ক্ষেত্ৰত প্ৰভাৱিত কৰি ছাত্ৰ-ছাত্ৰীৰ নৈতিকতা, সততা আৰু সত্যতাক ধ্বংস কৰিছে, নৱপ্ৰজন্মৰ স্বাস্থ্যক প্ৰভাৱিত কৰি টোপনি নোহোৱা, চকুৰ দৃষ্টিশক্তি কম হোৱা, মূৰৰ বিষ, শৰীৰৰ নাৰ্ভছতন্ত্ৰত সমস্যাৰ সৃষ্টি কৰা, মেদবহুলতা আদি সমস্যাৰ সৃষ্টি কৰিছে। ইয়াৰ উপৰি ই মানসিক স্বাস্থ্যৰ ওপৰতো বিৰূপ প্ৰভাৱ পেলায়।

গতিকে ম'বাইল আৰু কিতাপৰ তুলনামূলক বিশ্লেষণৰ পৰা এটা কথা স্পষ্ট হৈ পৰে যে ম'বাইল বা স্মাৰ্টফোনে কেতিয়াও কিতাপতকৈ উচ্চ আসন অধিকাৰ কৰিব নোৱাৰে। কিতাপ পঢ়ি জ্ঞান আহৰণ কৰাৰ যি আনন্দ বা সুখ সেই আনন্দ বা সুখ আমি ম'বাইলৰ পৰা লাভ কৰিব নোৱাৰোঁ। ইংৰাজ কবি টমাছ হুদে কৈছিল— 'মোৰ কিতাপবোৰেই মোক সদায় জুৱাৰীৰ আড্ডা, মদাপীৰ সংগ আৰু ধোদৰ পচলা, নিষ্কৰ্মাবোৰৰ মেলৰ পৰা আঁতৰাই ৰাখে। যি মানুহে পোপ আৰু এডিছনৰ সান্নিধ্য পাইছে, যি মানুহে মিল্টন আৰু শ্বেক্সপীয়েৰৰ নীৰৱ কিন্তু মহৎ চিন্তাধাৰাৰ অংশ লোৱাৰ সুযোগ পাইছে, তেওঁ নিশ্চয় অসৎ আৰু হীন সংসৰ্গ কেতিয়াও সহ্য কৰিব নোৱাৰে।' গতিকে মই সকলো নৱপ্ৰজন্মকে অনুৰোধ কৰিম যাতে ম'বাইলৰ কাৰণে কিতাপৰ পৰা দূৰত্ব সৃষ্টি নকৰে।

ফোন ঃ ৮৬৩৮৯-৪৭২৯২